# লামডিংত বহুভাষিক কবি সন্মিলন অনুষ্ঠিত



লামডিঙত অনুষ্ঠিত বহুভাষিক কবি সন্মিলনৰ এটি দৃশ্য

লামডিং মহাবিদ্যালয় প্ৰাঙ্গণত যোৱা ২৪ জানুৱাৰি, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে হোজাই জিলা সাহিত্য সভাৰ প্ৰথমখন বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। লামডিং শাখা সাহিত্য সভা আৰু লামডিং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত অনুষ্ঠিত এই কবি সন্মিলন আৰম্ভ হয় শাখাৰ মহিলা শিল্পীসকলে পৰিৱেশন কৰা ‘চিৰ চেনেহী মোৰ ভাষা জননী...’ সমৱেত গীতেৰে। ইয়াৰ পিছত জিলা সভাপতি ড° গুণেশ্বৰ শইকীয়াই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সমুখত পুষ্পাঞ্জলি অৰ্পণ কৰে।

আদৰণি ভাষণত জিলা সভাপতি ড° শইকীয়াই কয় যে লামডিং আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চল একাধিক জনগোষ্ঠীয় লোকৰ বাসভূমি। সেয়েহে, লামডিঙত অনুষ্ঠিত বহুভাষিক কবি সন্মিলনখনে সাতাপুৰুষীয়া সাম্য, মৈত্ৰী আৰু সম্প্ৰীতিৰ এনাজৰীডাল সবল কৰি তোলাৰ লগতে বিভিন্ন ভাষাত সাহিত্যচৰ্চা কৰা সাহিত্যসেৱীসকলৰ মত-বিনিময়ৰ বাবে এখন মঞ্চৰূপে কাম কৰিব। বৰ্ষীয়ান সাহিত্যিক-সমালোচক উপেন্দ্ৰনাথ বৰকটকীয়ে সঞ্চালনা কৰা কবি সন্মিলনখনিত স্বৰচিত কবিতা পাঠ কৰা কবিসকল হ’ল—জান কেম্প্ৰাই (ডিমাচা), হবিন কোঁচ (কোঁচ), ৰাম বৰদলৈ (তিৱা), নয়ন লৃগাং (মিচিং), ধনীৰাম তিছো (কাৰ্বি), কমলেশ্বৰ কলিতা (অসমীয়া), উমা ভৌমিক (বাংলা), খৰ্গ বাহাদুৰ নেপালী (নেপালী), ড° নাগেশ্বৰ যাদব (হিন্দী) আৰু শ্ৰুতিকুমাৰ সিংহ (মণিপুৰী)।

এই কবিতাবোৰৰ বিষয়ে ব্যাখ্যা-সমালোচনা আগবঢ়ায় কেইগৰাকীমান জ্যেষ্ঠ সাহিত্যিক-সমালোচকে। এইসকলৰ ভিতৰত ড° সাৰদানন্দ দেৱাগোস্বামী, ড° গুণেশ্বৰ শইকীয়া, দেহৰাজ মিলি, অনুপকুমাৰ বৰঠাকুৰ, বিশ্বজিৎ নাথ, পদ্মকান্ত বৰা, খগেন্দ্ৰ দাহাল, পদ্মিনী দাউলাগাপু আৰু অচ্যুত ঠাকুৰীয়াৰ নাম উল্লেখযোগ্য।

কবিতা পাঠৰ লগতে নৃত্য শিল্পী পলি নিৰ্মালিয়াই জ্যোতি সংগীতৰ সুৰত এটি নৃত্য পৰিৱেশন কৰে।

০০০০